# দৃশ্যান্তৰ

পঁচিশ বছৰৰ আগতে
এই ঠাইতেই এজনক লগ পাইছিলোঁ।
আলি-কেঁকুৰিটো আছিল কেঁচা।
সময়টো আছিল গধূলি।
তেওঁ নঙলামুখত বিচাৰি ফুৰিছিল
নিজৰ ঘৰৰ পদূলি।
এটা পঁজাঘৰ।
আকাশ ঢিয়াই কেইজোপামান কাকনী তামোল।
ঘৰৰ দাঁতিত আগলি বাঁহৰ
নমিত নমস্কাৰ।
পূৰ্ণ জোনৰ লণ্ঠনৰ পোহৰতো
কুকুৰীকণা মানুহজনে নিজৰ ঘৰ বিচাৰি পোৱা নাছিল।
ওচৰত সহায় সাৰথি কেও নাছিল।
মই যেতিয়া হাতত ধৰি তেওঁক
আগুৱাই দিছিলোঁ, কৈছিল,
বৰ শান্তিত আছোঁ
এই পঁজাটিত।

আজি এই ঠাইতেই লগ পালোঁ আৰু এজনক
বৃদ্ধ ন্যুব্জ দেহ। বয়সৰ চিন নোহোৱা হ'লে মুখত পঁচিশ বছৰ আগৰ সাইলাখ সাঁচ।
সাতমহলীয়া ঘৰৰ বাহিৰত তেওঁ বৈ আছিল।
ওচৰে-পাজৰে আন কেবাটাও অট্টালিকা।
এটাতকৈ আনটোৰ ৰূপ চৰা।
সন্ধ্যা ভগাৰ বহুত পাছতো মানুহ পিয়াপি দি ফুৰিছিল।
চশমাৰ তলেৰে সন্দেহেৰে চাই তেওঁ মোক সুধিলে,
হেৰা অচিনাকি মানুহজন, তোমাক কি লাগেহে ইয়াত?
ভাবাঘৰ বিচাৰি আহিছা
এই কুবেৰৰ মহলাত! ক'ত পাবা আৰু পালেও
কি শান্তিত থাকিবা ইয়াত। মৰিলে দাহ কৰিবলৈও
এজন মানুহ নাই। যখৰ পোৱালিহঁতে কাক কোনে চায়!
এই বুলি কৈ তেওঁ সাতমহলীয়া ঘৰৰ ভিতৰলৈ
সোমাই গ'ল। এই কংক্ৰীটৰ হাবিখনত তেওঁক
বিচাৰি নাপালোঁ আৰু।
বৰ অশান্তিৰে উভতি আহিলোঁ।

**কবি-পৰিচয় ঃ**

**হৰেকৃষ্ণ ডেকা ঃ** জন্ম ১৯৪৩ চনত। ল'ৰালিটো তিনিচুকীয়াত কটায়। ১৯৫৯ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত পঢ়িবলৈ লয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৫ চনত ইংৰাজী বিষয়ত এম.এ.পাচ কৰে। গুৱাহাটীৰ কমাৰ্চ কলেজত অধ্যাপনাৰে চাকৰি জীৱন আৰম্ভ কৰা ডেকাদেৱে পাছত ভাৰতীয় আৰক্ষী সেৱাত যোগদান কৰি আৰক্ষী সঞ্চালক হিচাবে অৱসৰ লয়।

হৰেকৃষ্ণ ডেকা 'The Sentinel' কাকত আৰু 'গৰীয়সী' আলোচনীৰো সম্পাদক আছিল। তেওঁ 'বাতিৰ শোভাযাত্ৰা', 'আন এজন', 'Sea-Scare' আদি কবিতাৰ পুথি; 'গল্প আৰু কল্প', 'মধুসূদনৰ দলং', 'বন্দীয়াৰ', 'মৃত্যুদণ্ড' আদি গল্পৰ পুথি ৰচনা কৰিছিল। তেওঁৰ একমাত্ৰ উপন্যাস হ'ল 'আগন্তুক'। ইয়াৰ বাহিৰেও তেওঁ কেইবাখনো পুথি অসমীয়া ভাষালৈ অনুবাদ কৰিছে।

তেওঁ ১৯৮৭ চনত সাহিত্য অকাডেমী বঁটা, ১৯৯৬ চনত 'কথা বঁটা' আৰু ২০১০ চনত 'অসম উপত্যকা সাহিত্য বঁটা' লাভ কৰে।

**পাঠবোধ ঃ**

কবি হৰেকৃষ্ণ ডেকাৰ 'দৃশ্যান্তৰ' কবিতাটোত সামাজিক জীৱনৰ ৰূপ প্ৰতিফলিত হৈছে। কবিয়ে লগ পোৱা ব্যক্তি এজনৰ প্ৰসংগেৰে তেওঁ উন্মোচন কৰিছে নগৰীয়া জীৱনৰ শূন্যতা আৰু অপ্ৰাপ্তি। কেঁচা আলি-কেঁকুৰিৰ পৰা কংক্ৰীটৰ হাবিলৈকে বিবিধ চিত্ৰকল্পৰ মাজেৰে কবিয়ে আধুনিক মানুহৰ নিঃসংগতা আৰু চহৰীয়া জীৱনৰ যান্ত্ৰিকতাক প্ৰতিফলিত কৰিছে। কবিৰ কেইবাটাও কবিতাত গ্ৰাম্য জীৱনৰ অকপট ৰূপ প্ৰকাশ পোৱাৰ দৰে চহৰীয়া জীৱনৰ ৰুক্ষতাবো ৰূপায়ণ ঘটিছে। 'দৃশ্যান্তৰ' নামটোতেই লুকাই আছে আমাৰ সমাজ জীৱনৰ পৰিৱৰ্তিত সত্য। দুটা ভিন্ন অভিজ্ঞতাৰ মাজেৰে কবিয়ে কবিতাটোত ভাব আৰু ভাষাৰ অনুপম সামঞ্জস্য ৰাখিবলৈ সমৰ্থ হৈছে। 'দৃশ্যান্তৰ' কবিতাটো আমাৰ সমাজ-জীৱনৰে এক আলেখ্য।

'দৃশ্যান্তৰ' কবিতাটোত প্ৰকাশ পোৱা অভিব্যক্তিক আধুনিক কবিতাৰ বিদ্যায়তনিক আলোচনাত 'মহানগৰ চেতনা' বুলি কোৱা হয়।

**শব্দাৰ্থ আৰু টোকা ঃ**

| | |
|---|---|
| কাকিনী তামোল | ঃ বৰ ওখ তামোল। |
| কুকুৰীকণা | ঃ গধূলি বা ৰাতি নেদেখা মানুহ। |
| কুবেৰ | ঃ যক্ষৰ অধিপতি; ধনৰ অধিপতি দেৱতা। |
| দাহ | ঃ পোৰণি; পোৰা কাৰ্য; দহন; শোক, সন্তাপ। |
| দৃশ্যান্তৰ | ঃ ভিন্ন বা অন্য দৃশ্য। |
| ন্যুব্জ | ঃ কুঁজা। |
| পিয়াপি দি | ঃ এটা এটা হৈ চাৰিওফালে। |
| যখ | ঃ পুতি থোৱা ধন-সোণ ৰখি থাকে বুলি ভবা অপদেৱতা; অতিশয় কৃপণ লোক। |

## প্ৰশ্নাৱলী

**ভাব বিষয়ক ঃ**

১। চমু উত্তৰ দিয়া ঃ

(ক) কবিয়ে কিমান বছৰৰ আগতে মানুহজনক লগ পাইছিল?

(খ) মানুহজনে কিয় নিজৰ ঘৰ বিচাৰি পোৱা নাছিল?

(গ) মানুহজনে নিজৰ ঘৰৰ পদূলি ক'ত বিচাৰিছিল?

(ঘ) মানুহজনৰ ঘৰৰ দাঁতিত কিহে নমস্কাৰৰ ভংগিত আছিল?

(ঙ) কবিয়ে কেনে সময়ত মানুহজনক লগ পাইছিল?

২। সাতমহলীয়া ঘৰৰ বাহিৰত বৈ থকা মানুহজনে কবিৰ স'তে কি কি কথা পাতিছিল তোমাৰ নিজৰ কথাৰে লিখা।

৩। 'দৃশ্যান্তৰ' কবিতাটোৰ মূলভাৱ লিখা।

৪। "বৰ শান্তিত আছোঁ
এই পঁজাটিত।"
— কোনে, কিয় এইদৰে কৈছিল? কথাষাৰৰ অন্তৰ্নিহিত ভাৱ মোকলাই লিখা।

৫। 'হেৰা অচিনাকি মানুহজন, তোমাক কি লাগেহে ইয়াত?'— কোনে কিয় কবিক এনেদৰে সুধিছে বুজাই লিখা।

৬। 'দৃশ্যান্তৰ' কবিতাটোত কবিয়ে কিদৰে পৰিৱৰ্তিত সামাজিক জীৱনৰ ছবি আঁকিছে তোমাৰ ভাষাৰে বুজাই লিখা।

৭। 'দৃশ্যান্তৰ' কবিতাটোৰ কবিগৰাকীৰ এটা চমু পৰিচয় দিয়া।

৮। ব্যাখ্যা কৰা ঃ

(ক) 'মৰিলে দাহ কৰিবলৈও
এজন মানুহ নাই।'

(খ) 'যখৰ পোৱালিহঁতে কাক কোনে চায়।'

(গ) 'এই কংক্ৰীটৰ হাবিখনত তেওঁক
বিচাৰি নাপালোঁ আৰু।'

ভাষা-বিষয়ক ঃ

১। বিপৰীত শব্দ লিখা ঃ
কেঁচা, গধূলি, পোহৰ, শান্তি, ৰূপ।

২। এটাকৈ সমাৰ্থক শব্দ লিখা ঃ
জোন, ঘৰ, চৰা, দাহ, উন্নতি।

৩। নঞৰ্থক শব্দ গঠন কৰা ঃ
শান্তি, চিনাকি, সহায়।

৪। 'নমস্কাৰ' শব্দটো সন্ধি ভাঙিলে এনে হ'ব—
নমঃ + কাৰ। — এইদৰে আন চাৰিটা শব্দ লিখি সন্ধি ভাঙা।

● ● ●